No. of Printed Pages : 4

**FAS-01**

00164

# BDP/BCA/BTS
# FOUNDATION COURSE IN ASSAMESE

## Term-End Examination

## June, 2013

## Course Code : FAS

*Time : 2 hours* *Maximum Marks : 50*

প্ৰশ্নবোৰ পঢ়ি উত্তৰ লিখক।

### ক – শাখা

**1.** তলত দিয়া প্ৰশ্নবোৰৰ শুদ্ধ বিকল্প নিৰ্ণয় (✓) কৰক : **1x5=5**

(a) সাংখ্য দৰ্শনৰ প্ৰতিষ্ঠাতা কোন ?

(i) কপিল মুনি

(ii) কনাদ মুনি

(iii) গৌতম মুনি

(b) অসমীয়া পৰম্পৰাগত ব্যাকৰণত কিহৰ প্ৰভাৱ থকা দেখা যায় ?

(i) সংস্কৃতৰ

(ii) ইংৰাজীৰ

(iii) সংস্কৃত আৰু ইংৰাজীৰ যুগ্ম

(c) বৈষ্ণৱ সাহিত্য সৃষ্টিৰ দুৱাৰ কোনে মুকলি কৰে ?

(i) মাধৱ কন্দলি

(ii) শঙ্কৰদেৱ

(iii) মাধৱদেৱ

(d) মানুহে কিয় লিপিৰ উদ্ভাৱন কৰিলে ?

(i) পঢ়িবৰ বাবে

(ii) লিখিবৰ বাবে

(iii) ছবি আঁকিবৰ বাবে

(e) মহাত্মা গান্ধীয়ে অসহযোগ আন্দোলন কেতিয়া আৰম্ভ কৰে ?

(i) ১৯৩০ চনত

(ii) ১৯২০ চনত

(iii) ১৯১৯ চনত

2. পূৰ্ণ বাক্যত উত্তৰ দিয়ক : **1x5=5**

(a) অসমীয়া ভাষাৰ আধুনিক যুগ কেতিয়াৰ পৰা আৰম্ভ হয় ?

(b) একোটা কম্পিউটাৰে কিমানলৈ তথ্য বা হিচাপ মনত ৰাখিব পাৰে?

(c) মহীশূৰক কি নগৰী হিচাপে অভিহিত কৰা হয় ?

(d) একবিংশ শতিকাত দেশত শস্য-মৎস্যৰ প্ৰাদুৰ্ভাব কেনে হ'ব ?

(e) শিৱসাগৰত পোৱা 'সমুদ্ৰ-মন্থন' সচিত্ৰ পুথিখনত কিহৰ ছবি দেখা গৈছে ?

3. 'সোণৰ মোহ' চুটি গল্পটিৰ মূল কথাখিনি লিখক। **5**

**অথবা**

অসম সাহিত্য সভাৰ ভূমিকা সম্পৰ্কে সংক্ষেপে লিখক।

4. সংক্ষেপে যিকোনো পাঁচটা প্ৰশ্নৰ উত্তৰ দিয়ক : 2x5=10

(a) পোংগল কোন ৰাজ্যত পালন কৰা হয় আৰু অসমৰ কোনটো উৎসৱৰ লগত ইয়াৰ মিল আছে ?

(b) ইন্দিৰা গান্ধীক কি কথাই ছোভিয়েট দেশৰ প্ৰতি আকৃষ্ট কৰিছিল ?

(c) এ. অ. হিউমে আহ্বান কৰা সভাৰ মূল উদ্দেশ্য কি আছিল ?

(d) নাগৰিক অধিকাৰৰ ৰক্ষণাবেক্ষণৰ বাবে কি কি বিষয়ৰ প্ৰয়োজন ?

(e) উচ্চ গুণ সম্পন্ন জনসংখ্যা মানে কাক বুজোৱা হৈছে ?

(f) চৰ্যাপদ কি আৰু ইয়াক কোনে ৰচনা কৰিছিল ?

(g) চিত্ৰলেখাই ঊষাক কিয় ভাগ্যৱতী বুলি কৈছে ?

(h) চামুৰাই কোন ভাষাৰ শব্দ আৰু ইয়াৰ অৰ্থ কি ?

(i) ভাৰতীয় ভাস্কৰ্য-স্থাপত্যৰ প্ৰথম নিদৰ্শন ক'ত পোৱা যায় ?

## খ-শাখা

5. মিছনেৰী সকলে আখৰ-জোঁটনি কেনেদৰে চলাবলৈ যত্ন কৰিছিল ? 5

অথবা

অসমীয়াত লিংগ কেই প্ৰকাৰ আৰু কি কি ? উদাহৰণ দি বুজাই লিখক।

6. জমাবন্দী বহীৰ নমুনা প্ৰস্তুত কৰক। 4

অথবা

যি কোনো দুটাৰ চমু টোকা লিখক।

বিক্ৰিদাৰ, খতিয়ান, তপচীল, বাতিল, ওৱাৰিচ।

7. যিকোনো চাৰিটা খণ্ডবাক্যৰ অৰ্থ প্ৰকাশ কৰি বাক্য ৰচনা কৰক। 4

থৰকাচুতি, নিমাওমাও, পিত্ পিত্ কৈ, উগুল থুগুল, দোধোৰ-মোধোৰ, ওপৰ-চকুৱা, ইফাল-সিফাল।

8. ভাৰতৰ নিবনুৱা সমস্যা সম্পৰ্কে এখনি ৰচনা প্ৰস্তুত কৰক। 12

অথবা

অসমৰ প্ৰাকৃতিক সম্পদ সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।